**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-08 -2025
**Time :** 18 -45 HRS

***Assamese Evening Bulletin***
**-------------------**

১। অসমত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ এশ শতাংশ পুনৰীক্ষণ বিষয়ক আবেদন উচ্চতম ন্যায়ালয়ৰ শুনানিৰ বাবে গ্ৰহণ। কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু ভাৰতৰ মহা পঞ্জীয়কলৈ জাননী।

২। মহিলা উদ্যমিতা অভিযানৰ অধীনত নলবাৰীত আত্মসহায়ক গোটৰ সদস্যাসকললৈ চেক প্ৰদান কাৰ্যসূচীৰ মুখ্যমন্ত্ৰীৰ শুভাৰম্ভ।

৩। উৰিয়ামঘাটৰ উচ্ছেদ অভিযানত উচ্চতম ন্যায়ালয়ৰ  স্থগিতাদেশ জাৰি।

৪। সুলভ মূল্যৰ দোকানী আৰু সমবায় সমিতিৰ প্ৰতিনিধিসকলক স্বচ্ছ আৰু নিকাভাৱে ৰাজহুৱা বিতৰণ ব্যৱস্থা আগবঢ়াই নিবলৈ মন্ত্ৰী কৌশিক ৰায়ৰ আহ্বান। ***আৰু***

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব, নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মুখামুখি।

০০০

উচ্চতম ন্যায়ালয়ে অসমত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ ১০০ শতাংশ পুনৰীক্ষণৰ বাবে দাখিল কৰা আবেদন সন্দৰ্ভত আজি কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু ভাৰতৰ মহা পঞ্জীয়কলৈ জাননী জাৰি কৰিছে। লগতে বৰ্তমান ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ অসমৰ মুখ্যসমন্বয়ক গৰাকীলৈকো সৰ্বোচ্চ ন্যায়ালয়ে জাননী জাৰি কৰিছে। অসমৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ প্ৰাক্তন সমন্বয়ক তথা অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া হিতেশ দেৱশৰ্মাই যোৱা জুলাই মাহত এই সন্দৰ্ভত দাখিল কৰা আবেদন আজি ন্যায়াধীশ পি নৰসিমহা আৰু ন্যায়াধীশ অতুল চন্দুৰকাৰকলৈ গঠিত খণ্ড বিচাৰপীঠে বিচাৰৰ বাবে গ্ৰহণ কৰে আৰু সংশ্লিষ্ট পক্ষলৈ জাননী জাৰি কৰে।

০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি নলবাৰীত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ সদস্যাসকললৈ চেক প্ৰদানৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। বিগত এক এপ্ৰিলত  বিহালী সমষ্টিত অনুষ্ঠিত এটা কাৰ্যসূচীত মুখ্যমন্ত্ৰীয়ে এই অভিযানৰ প্ৰথম পৰ্যায় আৰম্ভ কৰিছিল। নলবাৰীৰ পি এম শ্ৰী ঘগ্ৰাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত আজি অনুষ্ঠানত আত্মসহায়ক গোটৰ অৰ্হতা সম্পন্ন মহিলাসকলক প্ৰাৰম্ভিক মূলধন হিচাপে ১০ হাজাৰ টকাকৈ প্ৰথম কিস্তিৰ উদ্যমিতা পুঁজি প্ৰদান কৰা হয়। এই উপলক্ষে আয়োজিত সভাত ভাষণ দি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়, যে আত্মসহায়ক গোটৰ সৈতে জড়িত মহিলাসকলক অৰ্থনৈতিকভাৱে সবল কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে এই অভিযান আৰম্ভ কৰিছে। তেওঁ কয়, যে ৰাজ্যৰ চহৰ আৰু গ্ৰামাঞ্চলত ৪ লাখ আত্মসহায়ক গোট আৰু এই গোটসমূহৰ সৈতে প্ৰায় ৪০ লাখ মহিলা জড়িত হৈ আছে। এই মহিলাসকলৰ উদ্যমিতাৰ বাবদ ৰাজ্য চৰকাৰৰ ৩ হাজাৰ ৩৮ কোটি টকা ব্যয় হ'ব বুলি উল্লেখ কৰি ডঃ শৰ্মাই কয়, যে এই ধনৰাশিৰে হিতাধিকাৰী মহিলাসকলে নিজাববীয়াকৈ অথবা গোটৰ আন আন সদস্যসকলৰ সৈতে যৌথভাৱে ব্যৱসায় কৰিব পাৰিব। এই পুঁজিৰ সদ্ ব্যৱহাৰ কৰা মহিলাসকলক পৰৱৰ্তী পৰ্যায়ত ২৫ হাজাৰ টকা প্ৰদান কৰা হ'ব

বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেঁও কয় যে ইয়াৰে ১৫ হাজাৰ টকা ৰাজ্য চৰকাৰে আৰু ১০ হাজাৰ টকা বেংকৰ জৰিয়তে প্ৰদান কৰা হ'ব।

**বাইট ঃ মুখ্যমন্ত্ৰী**

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত কৃষি, পশুপালন, বয়নশিল্প, হস্তশিল্প আদি ক্ষেত্ৰত গ্ৰামাঞ্চলৰ ৩০ লাখতকৈও অধিক আৰু নগৰাঞ্চলৰ ২ লাখ আত্মসহায়ক গোটৰ সদস্যাক পুঁজি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

০০০

উচ্চতম ন্যায়ালয়ে উৰিয়ামঘাটৰ উচ্ছেদ অভিযানত স্থগিতাদেশ জাৰি কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে ৭৩ টা পৰিয়ালে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ পি নৰসিমহা আৰু অতুল চন্দ্ৰকাৰৰ বিচাৰপীঠে পৰৱৰ্তী শুনানি পৰ্যন্ত এই স্থগিতাদেশ জাৰি কৰে। উচ্চতম ন্যায়ালয়ে এই সন্দৰ্ভত অসম চৰকাৰ আৰু গোলাঘাট জিলা প্ৰশাসনলৈ জাননী জাৰি কৰিছে।

ইপিনে, ডিব্ৰুগড় জিলা প্ৰশাসনে আজি পল্টন বজাৰৰ মুখ্যমন্ত্ৰী সচিবালয়ৰ  সমীপৰ চৰকাৰী মাটিত অবৈধভাৱে বাস কৰা বহু লোকক উচ্ছেদ কৰে। এই চৰকাৰী ভূমি দখল কৰি বহুকেইটা পৰিয়ালে অঞ্চলটোত দীৰ্ঘদিন ধৰি বসবাস কৰি আহিছিল বুলি আমাৰ ডিব্ৰুগড়ৰ সংবাদদাতাই জনাইছে।

নগাঁও জিলা প্ৰশাসনে ধিং ৰাজহ চক্ৰৰ অধীনৰ ডাগৰ আৰু আলিটাঙনি মৌজাৰ জেঙনি তিনিআলিত উচ্ছেদৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ধিং ৰাজহ চক্ৰ বিষয়াই যোৱা ৫ আৰু ৮ জুলাইত দখলীকৃত ভূমি খালী কৰিবলৈ অঞ্চল দুটাৰ জনসাধাৰণলৈ জাননী প্ৰেৰণ কৰিছিল। অহা ২৭ আগষ্টত এই অঞ্চলকেইটাত উচ্ছেদ অভিযান চলোৱা হ'ব। উল্লেখযোগ্য যে এই অঞ্চলকেইটাত কাইলৈ উচ্ছেদ চলোৱাৰ কথা আছিল যদিও ব্যৱসায়ী আৰু অঞ্চলটোৰ লোকসকলে ৩ দিনৰ সময় বিচৰাত অহা বুধবাৰে উচ্ছেদ অভিযান চলোৱা হ'ব বুলি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই অৱগত কৰে।

**বাইট ঃ দেৱাশীষ শৰ্মা**

বিশ্বনাথ জিলা প্ৰশাসনেও নিজ বাঘমাৰীৰ নামাপাৰা, প'লকটা আদি অঞ্চলৰ ৪৩৩ টা পৰিয়াললৈ উচ্ছেদৰ জাননী জাৰি কৰিছে। প্ৰশাসনে কালি বাঘমাৰী মণ্ডলৰ জৰিয়তে পৰিয়ালকেইটালৈ জাননী প্ৰেৰণ কৰি ১৫ দিনৰ ভিতৰত চৰকাৰী ভূমি ত্যাগ কৰিবলৈ নিৰ্দেশ দিছে। ১৫ দিনৰ ভিতৰত অবৈধভাৱে দখল কৰা ভূমি নেৰিলে জিলা প্ৰশাসনে সেই স্থানত উচ্ছেদ চলাব। এই পৰিয়ালকেইটাই চৰণীয়া পথাৰৰ ২৬৫ বিঘা ভূমি অবৈধভাৱে দখল কৰি আছে।

০০০

খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে সুলভ মূল্যৰ দোকানী আৰু সমবায় সমিতিৰ  প্ৰতিনিধিসকলক স্বচ্ছ আৰু নিকাভাৱে ৰাজহুৱা বিতৰণ ব্যৱস্থাটো আগবঢ়াই নিবলৈ আহ্বান জনাইছে। দৰং জিলাৰ সুলভ মূল্যৰ দোকানী আৰু সমবায় সমিতিৰ প্ৰতিনিধিসকলৰ সৈতে বিভাগটোৰ অভিলাসী আচনি সম্পৰ্কত মঙলদৈৰ জিলা পুথিভঁৰালত আজি এখন সজাগতা সভাত অংশ লৈ মন্ত্ৰীগৰাকীয়ে এই আহ্বান জনায়। শ্ৰীৰায়ে অহা অক্টোবৰৰ পৰা ৰাজ্যৰ ৰেচন কাৰ্ড থকা হিতাধিকাৰীসকলে সুলভ মূল্যত লাভ কৰিবলগীয়া মচুৰ ডাইল, চেনী আৰু নিমখ বিতৰণ সন্দৰ্ভতো আলোচনা কৰে। তেওঁ লগতে এই ক্ষেত্ৰত যাতে কোনো অনিয়ম নহয় তাৰ বাবে সতৰ্ক হ'বলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। অনুষ্ঠানত মঙলদৈৰ বিধায়ক বসন্ত দাস, চিপাঝাৰৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশী, অসম ৰাজ্যিক মীন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসকে ধৰি কেইবাগৰাকী বিষয়া উপস্থিত থাকে।

০০০

কাছাৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠান শিলচৰত কন্যা শিশুৰ শিক্ষা আৰু সৱলীকৰণৰ উদ্দেশ্যে শৈক্ষিক ভ্ৰমণৰ আয়োজন কৰা হয়। বেটী বচাও, বেটী পঢ়াও কাৰ্যসূচীৰ অধীনত অনুষ্ঠিত এই এক্সপোজাৰ ট্যুৰত শিলচৰৰ চাৰিখন বিদ্যালয়ৰ মুঠ ৩৫ গৰকী ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। জিলা আয়ুক্ত মৃদুল যাদৱে পতাকা জোকাৰি এই কাৰ্যসূচী মুকলি কৰে। তেওঁ কয়, যে শিক্ষাৰ জৰিয়তে কন্যা শিশুৰ সৱলীকৰণ কৰাটো কেৱল নীতিয়ে নহয়, বৰং ই সামাজিক দায়বদ্ধতাও। শৈক্ষিক ভ্ৰমণত অংশগ্ৰহণ কৰা ছাত্ৰীসকলে নীট শিলচৰৰ গৱেষণা কেন্দ্ৰ, পৰীক্ষাগাৰ আৰু প্ৰযুক্তিগত সুবিধাসমূহ পৰিদৰ্শন কৰে। এই ভ্ৰমণে ছাত্ৰীসকলক ভৱিষ্যতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যালৰ অগ্ৰগতিৰ বাবে অনুপ্ৰাণিত কৰিব বুলি জিলা প্ৰশাসনে আশা প্ৰকাশ কৰিছে।

০০০

যোৰহাট আয়ুক্ত কাৰ্যালয়ৰ চৌহদত থকা ড০ ভীমৰাও আম্বেদকাৰ উদ্যানখন জিলা আয়ুক্ত জয় শিৱানীয়ে আজি যোৰহাট উন্নয়ন প্ৰাধীকৰণৰ সভাপতি প্ৰশান্ত জ্যোতি গোস্বামীৰ উপস্থিতিত পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত উদ্যানখনৰ উন্নয়ন সন্দৰ্ভত আলোচনা কৰা হয়। এই সময়ছোৱাত যোৰহাট উন্নয়ন প্ৰাধীকৰণৰ সদস্য সচিব আৰু কৰ্মচাৰীসকলো উপস্থিত থাকে।

০০০

অসম ৰাজ্যিক আইন সেৱা প্ৰাধীকৰণৰ নিৰ্দেশ মৰ্মে মাজুলী জিলা আইন সেৱা প্ৰাধীকৰণৰ উদ্যোগত আজি এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। কমলাবাৰীস্থিত জিলা গাঁও প্ৰধান ভৱনত জিলাখনৰ গাঁও প্ৰধানসকলৰ মাজত সজাগতামূলক সভাৰ লগতে অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত কেইবাজনো সমল ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০

লখিমপুৰ জিলাৰ দুলুং সংৰক্ষিত বনাঞ্চলৰ দুলুং মুখ ৰেঞ্জত ১ ছেপ্তেম্বৰৰ পৰা ৩১ ডিচেম্বৰলৈ বোমা বিস্ফোৰণ, ৰকেট আৰু গুলীচালনাৰ বাবে ৰেঞ্জটো সক্ৰিয় কৰা হৈছে। এই সময়ছোৱাত ভাৰতীয় সেনাবাহিনীয়ে বোমা বিস্ফোৰণ, ৰকেট আৰু গুলীচালনাৰ অনুশীলন কৰিব। লখিমপুৰ জিলা প্ৰশাসনে এটা নিৰ্দেশনা যোগে এই সময়ছোৱাত দুলুং মুখ ৰেইঞ্জ এলেকাত সাধাৰণ লোকৰ প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰিছে।

০০০

দৰং জিলাৰ দলগাওঁ - শিয়ালমাৰী উন্নয়ন খণ্ডৰ গ্ৰামসেৱক তথা শিলগুৰি গাওঁ পঞ্চায়তৰ ভাৰপ্ৰাপ্ত সচিব আছাদুদ জামান আছাদক দূৰ্নীতিৰ অভিযোগত তৎকালীনভাৱে বলবৎ হোৱাকৈ চাকৰিৰ পৰা নিলম্বন কৰা হৈছে। লোকজনৰ বিৰুদ্ধে পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰ অপব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন হৈছিল।

উল্লেখযোগ্য যে শিলবড়ী গাওঁ পঞ্চায়তৰ নৱ নিৰ্বাচিত সমিতিয়ে পঞ্চায়তখনত ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত পঞ্চদশ বিত্তীয় আয়োগৰ প্ৰায় এক কোটি ২১ লাখ টকাৰ খেলিমেলি ধৰা পেলায়। এই সন্দৰ্ভত তদন্তৰ দাবী কৰি যোৱা ৬ আগষ্টত দৰং জিলাৰ আয়ুক্ত আৰু জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াক পৃথকে পৃথকে অভিযোগ দাখিল কৰা হৈছিল। পাছত গাওঁ পঞ্চায়তখনৰ ভাৰপ্ৰাপ্ত সচিবগৰাকীৰ জালিয়াতি ধৰা পৰাত তেওঁক চাকৰিৰ পৰা নিলম্বন কৰা হয়।

০০০

হোজাই জিলাৰ মুৰাঝাৰত আৰক্ষীয়ে আজি এজন সন্দেহজনক লোকক আটক কৰে। আৰক্ষীয়ে লোকজনৰ পৰা এখন ভাৰতীয় পাছপোৰ্ট আৰু পাকিস্তানৰ ভিছা জব্দ কৰে। ধৃত লোকজনে মুৰাঝাৰ গাওঁ পঞ্চায়তৰ কাৰ্যালয়ত পঞ্চায়তৰ প্ৰমাণ পত্ৰৰ বাবে আবেদন কৰিবলৈ যোৱাৰ সময়তে নিজৰ প্ৰকৃত নাম আব্দুল কৰিমৰ পৰিৱৰ্তে আব্দুল কালাম বুলি প্ৰকাশ কৰে। লোকজনৰ নথিপত্ৰ পৰীক্ষা কৰি সন্দেহ ওপজাত পঞ্চায়তৰ সচিবে আৰক্ষীক অৱগত কৰে। আৰক্ষীয়ে এই সংক্ৰান্তত তদন্ত অব্যাহত ৰাখিছে।

০০০

বিধানমণ্ডল, কাৰ্য্যপালিকা আৰু ন্যায়পালিকাৰ পাছতেই গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰূপে সংবাদ মাধ্যমে স্থান লাভ কৰি আহিছে। পৰিৱৰ্তিত সময়ত সংবাদ মাধ্যমে সৰ্বসাধাৰণ জনতাৰ আস্থা অটুট ৰাখিব পাৰিছেনে? বা এই চতুৰ্থ স্তম্ভৰ সৈতে পঞ্চম স্তম্ভৰো প্ৰয়োজন আহি পৰিছে নেকি?

এনেবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি কাইলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত লগ পাব দ্যা হিন্দু কাকতৰ উত্তৰ পূৰ্বাঞ্চলৰ প্ৰাক্তন ব্যুৰো ছীফ সুশান্ত তালুকদাৰ, স্তম্ভলেখক শংকৰ শইকীয়া, জ্যেষ্ঠ সাংবাদিক মনোৰম গগৈ আৰু তেজপুৰৰ মহাজাতি আৰু অগ্নিগড় কাকতৰ প্ৰাক্তন সহযোগী সম্পাদক অঞ্জন গোস্বামীয়ে।

এই অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০

কলকাতাৰ ছল্ট লেক যুব ভাৰতী ক্ৰীড়াংগনত কাইলৈ ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মুখামুখি হ'ব।

নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে মঙলবাৰে শ্বিলঙত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গ'লত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০

কামৰূপৰ বন্দাপাৰা জনতা সংঘৰ উদ্যোগত আৰু পূৰনমল জৈন ফাউণ্ডেচনৰ সহযোগত অসম আন্দোলনৰ ছহিদৰ সোঁৱৰণত কালিৰে পৰা অনুষ্ঠিত ফুটবল প্ৰতিযোগিতাত অসমৰ পাঁচটা তথা মেঘালয়ৰ তিনিটা মুঠ আঠটা দলে অংশগ্ৰহণ কৰে। অসম আৰু মেঘালয়ৰ নতুন প্ৰজন্ম ফুটবল খেলৰ বাবে আগ্ৰহী কৰি তোলাৰ উদ্দেশ্যে এই প্ৰতিযোগিতাখনৰ আয়োজন কৰা হৈছে। অহা ২৮ আগষ্টত এই প্ৰতিযোগিতাৰ অন্ত পৰিব।

০০০০

কামৰূপ জিলাৰ আমিনগাঁৱৰ লাচিতপুৰত চুৰিৰ সন্দেহত এজন ব্যক্তিক একাংশ লোকে প্ৰহাৰ কৰাত লোকজনৰ মৃত্যু হয়। পশ্চিম লাচিত পুৰৰ আইন মহাবিদ্যালয়ৰ সমীপত এই অমানৱীয় ঘটনা সংঘটিত হয়। ইতিমধ্যে ঘটনাৰ সৈতে জড়িত লোকসকলক আৰক্ষীয়ে গ্ৰেপ্তৰ কৰিছে। গণপ্ৰহাৰত মৃত্যু হোৱা লোকজনৰ মৃতদেহ তুলাৰাম বাফনা অসামৰিক চিকিৎসালয়ত মৰোনোত্তৰ পৰীক্ষাৰ বাবে ৰখা হৈছে যদিও বৰ্তমানলৈ লোকজনৰ পৰিচয় চিনাক্ত হোৱা নাই।

০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ